**4 (Sem–3) FASM–II**

**2023**

# ASSAMESE

(Functional MIL–II)

Paper : 3·2

*Full Marks : 80*

*Pass Marks : 24*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। উত্তৰ দিয়া ঃ ১×৫=৫

(ক) ইংলণ্ড দেশ দীঘলে কিমান মাইল?

(খ) এই জগতত কিহৰ সমান আমাৰ মিত্ৰ নাই?

(গ) আলাবৈৰ ৰণত একেদিনাই কিমান অসমীয়া সৈন্য নিহত হৈছিল?

(ঘ) জীৱন কাল চুটি। শাস্ত্ৰ কেনেকুৱা?

(ঙ) তিৰোতাৰ শিক্ষা কাৰ্য্যকৰী হোৱাৰ বিশেষ দৰ্কাৰ হয়নে নহয়?

২। অতি চমুকৈ বুজাই লিখা ঃ ২×৫=১০

(ক) ইংলণ্ডৰ দুখন ডাঙৰ নগৰৰ নাম লিখা।

*Contd.*

(খ) প্লেৰী কি? বুজাই লিখা।

(গ) জ্ঞান কেইবিধ আৰু কি কি?

(ঘ) ৰামসিংহৰ ওচৰলৈ পঠিওৱা অসমীয়া কটকী দুগৰাকীৰ নাম লিখা।

(ঙ) ৰামসিংহই কটকী পঠাই লাচিতক কি বাৰ্তা দিছিল?

৩। চমুকৈ বুজাই লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) "আন সকলো কথাতকৈ ইংৰাজৰ বুৰঞ্জী জনা বৰ আৱশ্যক।" — বহলাই বুজাই লিখা।

(খ) 'ইংলণ্ডৰ বিৱৰণ' পাঠটিত লেখকে অসম আৰু অসমৰ লোক সকলৰ উন্নতিৰ বাবে কৃপাময় জগদীশ্বৰৰ ওচৰত কি কামনা কৰিছে বুজাই লিখা।

(গ) সৈন্যৰ প্ৰাণ-মন যাতে কৰ্তব্যৰ পৰা একতিলো বিচলিত নহয় তাৰ বাবে লাচিত বৰফুকনে কেনেদৰে চেষ্টা কৰিছিল বুজাই লিখা।

(ঘ) "বাৰীৰ ভিতৰৰ পুখুৰী সিঁচোতেও আঠোটা-দহোটা মানুহক শিঙিয়ে বিন্ধে।" — কথাষাৰ আতিগুৰি মাৰি ব্যাখ্যা কৰা।

(ঙ) 'নিজৰ ভৰিৰ ওপৰত থিয় হোৱা' — পাঠটিত নিজৰ ভৰিৰ ওপৰত থিয় হ'ব নোৱাৰা বাবে এগৰাকী নবাবৰ কি অৱস্থা হৈছিল বুজাই লিখা।

(চ) 'অনভ্যাসে হতবিদ্যা' কথাশাৰীৰ তাৎপৰ্য্য নিজৰ ভৰিৰ ওপৰত থিয় হোৱা পাঠটিৰ সহায়ত বুজাই লিখা।

(ছ) কোৱামৃদ্ধা হাজৰিকাই নাচোনৰ সহায়েৰে মোগলৰ হাতত বন্দী অৱস্থাৰ পৰা কেনেকৈ মুক্ত হৈছিল লিখা।

৪। পৃথিৱীৰ বিভিন্ন ঠাইত কিদৰে মহিলাৰ ভৰি অকামিলা কৰি পেলোৱা হয় — 'নিজৰ ভৰিৰ ওপৰত থিয় হোৱা' পাঠটিৰ আধাৰত আলোচনা কৰা। ১০

*নাইবা*

'ইংলণ্ডৰ বিৱৰণ' পাঠটিৰ আধাৰত অসমীয়াৰ দুৰৱস্থাৰ হেতুকেইটি আলোচনা কৰা।

৫। তলত দিয়া বাণিজ্যিক লেন-দেন সম্পৰ্কীয় শব্দবোৰৰ অৰ্থসহ একোটি চমু টোকা লিখা : *(যিকোনো পাঁচটা)* ৩×৫=১৫

Affidavit, Agreement, Earnest money, Hire purchase, Provident Fund, Royalty, Stock Exchange, Overdraft.

৬। তলত দিয়া ধৰণে এখন পত্ৰ লিখা : (পত্ৰত তোমাৰ নিজৰ নাম, ঠিকনা ব্যৱহাৰ নকৰি শ্ৰী ৰমেশ চন্দ্ৰ শৰ্মা, নলবাৰী, অসম লিখিবা।) ১০

(ক) তুমি এটি বাঁহ-বেতৰ উদ্যোগ স্থাপন কৰিব বিচাৰিছা। এই উদ্যোগটিৰ বাবে প্ৰয়োজনীয় মূলধন ঋণ হিচাবে বিচাৰি এটা ৰাষ্ট্ৰীয়কৃত বেংকৰ শাখা ব্যৱস্থাপকলৈ এখন আবেদন পত্ৰ লিখা।

(খ) তোমাৰ এটা কম্পিউটাৰ বিক্ৰী প্ৰতিষ্ঠান আছে। অলপতে বিক্ৰী কৰা বহুকেইটা কম্পিউটাৰত নানা বিজুতি দেখা দিয়া বুলি গ্ৰাহকে অভিযোগ দিছে। এই অভিযোগসমূহৰ বিষয়ে জনাই নিৰ্মাতা কোম্পানীৰ মহা প্ৰৱন্ধকলৈ এখন অভিযোগ পত্ৰ লিখা।

৭। সাৰাংশ লিখা ঃ ১০

পুথি-অধ্যয়ন বিদ্যা-উপাৰ্জনৰ এটা ঘাই উপায়। পুথি নপঢ়াকৈ কোনেও ক'তো বিদ্যা লাভ কৰিব নোৱাৰে। পুথিৰ বিদ্যা থুপাই থোৱা ধনৰ নিচিনা। আনে থুপাই থোবা ধন হাতত পৰিলে ধন অৰ্জনৰ দুখ-কষ্ট ভোগ নকৰাকৈ ধনৰ ফল ভোগ কৰিব পাৰি। সেইদৰে আনে থুপাই থোৱা বিদ্যা হাতত পৰিলে বিদ্যা অৰ্জনৰ দুখ-কষ্ট ভোগ নকৰাকৈ বিদ্যাৰ ফল ভোগ কৰিব পাৰি। প্ৰত্যেক পুথি একোজন মানুহৰ থুপাই থোৱা বিদ্যাৰ ভঁৰাল। লেখকে বহুত যত্ন-পুৰুষাৰ্থ কৰি সেই ভঁৰাল বান্ধি থয়, আমি কেৱল পুথিখন পঢ়িয়েই তেওঁৰ অৰ্জিত আটাইখিনি বিদ্যা লাভ কৰিব পাৰোঁ। আনৰ অৰ্জিত বিদ্যা এইদৰে সঞ্চয় কৰা নথকাহেঁতেন, পুৰুষে পুৰুষে সকলো কথা নতুনকৈ শিকিবলগীয়া হোৱাহেঁতেন মানুহে কেতিয়াও ইমানখিনি উদগতি কৰিব নোৱাৰিলেহেঁতেন। ভাপৰ বল আৰু বিজুলীৰ বল পোন প্ৰথমে উলিয়াওঁতে বহুত চিন্তা, বহুত সময় আৰু বহুত ধন খৰচ হৈছিল, কিন্তু এতিয়া পুথি পঢ়িয়েই মানুহে তাক ভালকৈ শিকি ল'ব পাৰে।

---